# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদত ২০২৫-২৬ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰিব।

২। অপাৰেচন সিন্দূৰে দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ শক্তি আৰু বীৰত্বৰ চিনাকি দিছে আৰু থলুৱাভাৱে উৎপাদিত অস্ত্ৰ-শস্ত্ৰসমূহৰ শক্তি প্ৰদৰ্শন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। আমেৰিকা ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে পাৰমাণৱিক অস্ত্ৰ সন্দৰ্ভত শীঘ্ৰেই আলোচনাৰ মাজলৈ নাহিলে ইৰানৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণৰ সকীয়নি দিছে।

৪। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি পুনে জিলাৰ বাৰামতীত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। *আৰু*

৫। পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা বিশাখাপট্টনমত অনুষ্ঠিত চতুৰ্থখন খেলত নিউজিলেণ্ডে ভাৰতক ৫০ ৰানত পৰাজিত কৰে।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদত ২০২৫-২৬ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰিব। বিত্ত মন্ত্ৰালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে মুখ্য অৰ্থনৈতিক উপদেষ্টাৰ পৰামৰ্শৰ ভিত্তিত এই সমীক্ষা প্ৰস্তুত কৰি উলিয়াইছে। অৰ্থনৈতিক সমীক্ষা হৈছে দেশত বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতি আৰু ভৱিষ্যতৰ দৃষ্টিভংগী সন্দৰ্ভত বিস্তৃত পৰ্যালোচনা। অহা দেওবাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰা হ'ব। অহা ১৩ ফেব্ৰুৱাৰীলৈ বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পুনৰ ৯ মাৰ্চৰ পৰা ২ এপ্ৰিল পৰ্যন্ত বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত হ'ব। এইবাৰৰ অধিৱেশনৰ সময়ত মুঠ ৩০ দিন সদনৰ কাম-কাজ চলিব।

ooooo

অপাৰেচন সিন্দূৰে দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ শক্তি আৰু বীৰত্বৰ চিনাকি দিছে আৰু থলুৱাভাৱে উৎপাদিত অস্ত্ৰ-শস্ত্ৰসমূহৰ শক্তি প্ৰদৰ্শন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীৰ কাৰিয়াপ্পা পেৰেড গ্ৰাউণ্ডত কালি অনুষ্ঠিত বাৰ্ষিক এন চি চি পিএম ৰেলীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে আধুনিক যুদ্ধক্ষেত্ৰত যুদ্ধ কেৱল সীমান্ত অঞ্চল অথবা টেংক আৰু বন্দুকৰ ব্যৱহাৰতেই সীমাবদ্ধ নাথাকে বৰং চাইবাৰ আৰু তথ্য যুদ্ধৰ সন্দৰ্ভত ক'ড আৰু ক্লাউডতো যুদ্ধ চলি থাকে। কালিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এন চি চিয়ে অপাৰেচন সিন্দূৰক বিষয়বস্তু হিচাপে লৈ প্ৰদৰ্শন কৰা বিশেষ প্ৰতীকপট সন্দৰ্ভত মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে এন চি চি কেডেটসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। এই অপাৰেচনৰ সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ ২৫ হাজাৰৰো অধিক এন চি চি কেডেটে অসামৰিক প্ৰতিৰক্ষা, চিকিৎসা ব্যৱস্থাপনা, সামূহিক সেৱা, দুৰ্যোগ সাহায্য আদি সেৱাত

স্বেচ্ছাই আত্মনিয়োগ কৰিছিল। শ্ৰীমোদীয়ে অপাৰেচন সিন্দূৰৰ সময়ত সশস্ত্ৰ বাহিনীসমূহ সহায় কৰাৰ লগতে ৰক্তদান শিবিৰৰ আয়োজন আৰু প্ৰাথমিক চিকিৎসা সেৱাকে ধৰি বিভিন্ন কামত এন চি চি কেডেটসকলৰ অৱদানৰ শলাগ লয়। প্ৰধানমন্ত্ৰীয়ে কয়, যে এন চি চিয়ে প্ৰদান কৰা প্ৰশিক্ষণ কেৱল পেৰেড গ্ৰাউণ্ডতেই সীমিত নহয় বৰং ই **ৰাষ্ট্ৰ প্ৰথম** মনোভাৱেৰে দেশৰ জটিল সময়ত সম্পূৰ্ণ শক্তিৰে কাম কৰাৰ বাবে কেডেটসকলক উৎসাহিত কৰে।

উল্লেখযোগ্য যে, এই বছৰৰ এন চি চি পিএম ৰেলীৰ বিষয়বস্তু আছিল **ৰাষ্ট্ৰ প্ৰথম - কৰ্তব্যনিষ্ঠ যুৱক-যুৱতী।** ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চিৰ মাহজোৰা গণৰাজ্য দিৱস শিবিৰৰ সামৰণি উপলক্ষে আয়োজন কৰা এই পিএম ৰেলীত সমগ্ৰ দেশৰ দুহেজাৰ ৪০৬ গৰাকী কেডেটে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত ৮৯৮ গৰাকী হৈছে ছোৱালী কেডেট। তদুপৰি এই ৰেলীত ২১ খন দেশৰ ২০৭ গৰাকী যুৱক-যুৱতী তথা বিষয়াই অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকে।

ooooo

ইৰাণৰ সৈতে স্থগিত পৰমাণু আলোচনাক লৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে পুনৰ কঠোৰ সকীয়নি দিছে। ইৰাণ শীঘ্ৰে আলোচনাৰ পথলৈ নাহিলে আগলৈ ল'বলগীয়া পদক্ষেপ পূৰ্বৰ সকলো পদক্ষেপতকৈ ভয়াৱহ হ'ব বুলিও ট্ৰাম্পে ভাবুকি দিছে।

ট্ৰুথ ছ'চিয়েলযোগে, ৰাষ্ট্ৰপতি ট্ৰাম্পে তেহৰাণক এখন নিৰপেক্ষ আৰু ন্যয়সংগত চুক্তিৰ বাবে তৎকালেই আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনায়। তেওঁ উল্লেখ কৰে যে এই চুক্তিৰ লক্ষ্য পৰমাণু অস্ত্ৰ সম্পূৰ্ণৰূপে অপসাৰণ কৰা আৰু ইয়াৰ বাবে সময় দ্ৰুতগতিত শেষ হৈ আহিছে।

ইপিনে, বিষয়টোত ইৰাণৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাঘচীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে দেশখনৰ সশস্ত্ৰ বাহিনী স্থল, আকাশ আৰু সামুদ্ৰিক সীমাত যিকোনো আক্ৰমণৰ বিৰুদ্ধে তাৎক্ষণিক আৰু যথোচিত উত্তৰ দিবলৈ সম্পূৰ্ণ প্ৰস্তুত। অৱশ্যে তেওঁ স্পষ্ট কৰে যে ইৰাণে কেতিয়াও পৰমাণু অস্ত্ৰ তৈয়াৰ বা মজুতত জড়িত হোৱা নাই আৰু তেওঁলোকে এখন ন্যায়সংগত আৰু সমতাভিত্তিক চুক্তি বিচাৰে । ভাবুকি বা বলপ্ৰয়োগৰ জৰিয়তে কৰা কূটনীতি মানি লোৱা নহ'ব বুলিও তেওঁ স্পষ্ট কৰি দিয়ে।

ইৰাণৰ ৰাষ্ট্ৰসংঘস্থিত মিশ্যন আৰু উপ-বৈদেশিক মন্ত্ৰী কাজেম গৰিবাবাদীয়েও এই প্ৰতিক্ৰিয়াক সমৰ্থন কৰি একেই সুৰত প্ৰকাশ কৰিছে যে ইৰাণে পাৰস্পৰিক সন্মান আৰু স্বাৰ্থৰ আধাৰত আলোচনাৰ পথ মুকলি ৰাখিছে যদিও উচটালে পূৰ্বতকৈও দৃঢ়তাৰে আত্মৰক্ষা কৰিব।

এই উত্তেজনাৰ মাজতে ৰাষ্ট্ৰপতি ট্ৰাম্পে সংবাদ মাধ্যমক জনাইছে যে, ৱাশ্বিংটনে তেহৰাণৰ ওপৰত চোকা দৃষ্টি ৰাখিছে আৰু আমেৰিকাৰ বৃহৎ নৌসেনা বাহিনী অঞ্চলটোলৈ অগ্ৰসৰ হৈছে।

ooooo

বিমান দুৰ্ঘটনাত কালি মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি দিনৰ প্ৰায় ১১ বজাত পুনে জিলাৰ বাৰামতীত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি বাৰামতীলৈ যাব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ অন্যান্য সদস্যসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

কালি পুৱা সংঘটিত এই বিমান দুৰ্ঘটনাত উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ মৃত্যুৰ পাছতেই মহাৰাষ্ট্ৰ চৰকাৰে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছে এই ঘটনাত শোক প্ৰকাশ কৰি

কালিৰে পৰা শুকুৰবাৰলৈ তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰিছে। এই সময়ছোৰাৰ ভিতৰত ৰাজ্যখনৰ সকলো চৰকাৰী ভৱনত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব।

বৃহান মুম্বাইৰ পৌৰ নিগমে সকলো কাৰ্যালয় এদিনৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। অৱশ্যে ইয়াৰ পৰা অত্যাৱশ্যকীয় আৰু জৰুৰীকালীন সেৱাত নিয়োজিত কৰ্মচাৰীসকলক ৰেহাই দিয়া হৈছে। মুম্বাই বিশ্ববিদ্যালয়েও কালি হ'বলগীয়া পৰীক্ষা বাতিল কৰিছে। পৰীক্ষাৰ পৰৱৰ্তী দিন এতিয়াও ঘোষণা কৰা হোৱা নাই।

০০০০০

ইউৰোপীয় পৰিষদ তথা ইউৰোপীয় আয়োগৰ অধ্যক্ষৰ শেহতীয়া ভাৰত ভ্ৰমণৰ সময়ছোৱাত ভাৰতীয় ৰিজাৰ্ভ বেংকে ইউৰোপীয় ছিকিউৰিটিজ এণ্ড মাৰ্কেটছ অথ'ৰিটি চমুকৈ E.S.M.A.ৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। বিত্ত মন্ত্ৰালয়ে উল্লেখ কৰা অনুসৰি, এই বুজাবুজিৰ চুক্তিৰ প্ৰধান উদ্দেশ্য - ক্লিয়াৰিং কৰ্প'ৰেশ্যন অৱ ইণ্ডিয়া লিমিটেড চমুকৈ CCIL আৰু ৰিজাৰ্ভ বেংকৰদ্বাৰা নিয়ন্ত্ৰিত অন্যান্য কেন্দ্ৰীয় প্ৰতিপক্ষক ESMAৰ দ্বাৰা আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা। এই বুজাবুজিৰ চুক্তি - কৰ্তৃপক্ষই স্বাক্ষৰ কৰাৰ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব আৰু ই অনিৰ্দিষ্ট সময়লৈ কাৰ্যক্ষম হৈ থাকিব বুলিও প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে লগতে জানিবলৈ দিছে যে ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু ESMA-য়ে CCP অৰ্থাৎ অনুমোদিত কেন্দ্ৰীয় প্ৰতিপক্ষসমূহ সন্দৰ্ভত পৰামৰ্শ, সহযোগিতা আৰু তথ্য বিনিময় কৰিব আৰু অনুমোদিত চি.চি.পি.সমূহে স্বীকৃতিৰ চৰ্তসমূহ মানি চলাৰ দিশটো নিৰীক্ষণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত ভাৰত শক্তি সপ্তাহৰ অংশ হিচাপে কালি নতুন দিল্লীৰ লোক কল্যাণ মাৰ্গত থকা তেওঁৰ বাসগৃহত গোলকীয় শক্তি খণ্ডৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। দেশৰ অৰ্থনৈতিক গতি সন্দৰ্ভত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হোৱাৰ দিশে দ্ৰুতগতিত আগবাঢ়িছে আৰু গোলকীয় শক্তি, চাহিদা-যোগানৰ ভাৰসাম্যতাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। এই আলোচনাৰ সময়ত শ্ৰীমোদীয়ে ভাৰতৰ শক্তিখণ্ডত গুৰুত্বপূৰ্ণ বিনিয়োগ, সম্ভাৱনা সন্দৰ্ভত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। এই আলোচনাৰ সময়ত মুখ্য কাৰ্যবাহী বিষয়াসকলে দেশৰ বিকাশৰ গতি সন্দৰ্ভত তেওঁলোকৰ সম্পূৰ্ণ বিশ্বাস ব্যক্ত কৰে। তেওঁলোকে ভাৰতৰ সৈতে থকা ব্যৱসায়িক সম্পৰ্ক অধিক সম্প্ৰসাৰিত আৰু শক্তিশালী কৰাৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে। উচ্চস্তৰীয় এই ঘূৰণীয়া মেজমেলত কৰ্পৰেট খণ্ডৰ প্ৰায় ২৭ গৰাকী মুখ্য কাৰ্যবাহী বিষয়া আৰু আগশাৰীৰ গোলকীয় আৰু ভাৰতীয় শক্তি কোম্পানী তথা প্ৰতিষ্ঠানসমূহ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী, পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্যিক মন্ত্ৰী সুৰেশ গোপী আৰু মন্ত্ৰালয়ৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকলেও এই আলোচনাত উপস্থিত থাকে।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সামৰণি উপলক্ষে নতুন দিল্লীৰ বিজয় চ'কত আজি বীটিং ৰিট্ৰিট-২০২৬ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকিব। অনুষ্ঠানত স্থল সেনা, নৌ সেনা, বায়ু সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বেণ্ড প্ৰদৰ্শন কৰা হ'ব। এইবাৰ বিজয় চ'কত দৰ্শকৰ আসনসমূহ ভাৰতৰ বিভিন্ন বাদ্যযন্ত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে। ইয়ে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰতিফলিত কৰিছে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্রিকেট শৃংখলাৰ যোৱা নিশা বিশাখাপট্টনমত অনুষ্ঠিত চতুৰ্থখন খেলত নিউজিলেণ্ডে ভাৰতক ৫০ ৰানত পৰাজিত কৰে। খেলখনত নিউজিলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২১৫ ৰান কৰে। টীম ছেফাৰ্টে ৩৬টা বলত ৬২ ৰান আৰু ডেভন কনৱেই ২৩টা বলত ৪৪ ৰান কৰে। ভাৰতৰ হৈ অশ্বদীপ সিং আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৮ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ শিৱম ডুবেই ২৩টা বলত ৬৫ ৰান আৰু ৰিংকু সিঙে ৩০টা বলত ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ অধিনায়ক মিচেল ছেণ্টনাৰে তিনিটা উইকেট দখল কৰে। ছেফাৰ্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। পাঁচখনীয়া এই শৃংখলাত ভাৰতে ইতিমধ্যে ৩ খন খেলত জয়লাভ কৰি শৃংখলা নিজৰ হাতলৈ আনিছে। প্ৰতিযোগিতাৰ অন্তিমখন খেল অহা দেওবাৰে তিৰুৱানন্তপুৰমৰ গ্ৰীনফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

ooooo

সমাপ্ত